প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## গ্ৰামোন্নয়ন আঁচনি ৰূপায়ণ অধিক ক্ষীপ্ৰ তথা ফলপ্ৰসূ কৰাৰ পদক্ষেপ

## পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ

## আয়ুক্তালয়ৰ বিষয়াৰ সৈতে পৰ্যলোচনা সভাত বিভাগৰ প্ৰধান সচিব ডাঃ এক্কা

**গুৱাহাটী ৩০মে'ঃ** "পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ বাবে এই বছৰটো অতি গুৰুত্বপূৰ্ণ আৰু এমজিএনৰেগাই যে গ্ৰামাঞ্চলৰ আগ্ৰহী লোকক থিতাতে নিয়োগৰ সুবিধা প্ৰদানত এক বিশেষ ভূমিকা পালন কৰিব পাৰে, সেয়া প্ৰতিপন্ন কৰাৰ বাবে এয়া উত্তম সময়। ইয়াৰ বাবে আমি এতিয়া আৰু অধিক দক্ষতাৰে আৰু সুপৰিকল্পিত ৰূপত কাৰ্যনিৰ্বাহ কৰিব লাগিব। "—গ্ৰামোন্নয়নৰ বিভিন্ন আঁচনিৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে ৰূপায়ণ আৰু অধিক ফলপ্ৰসূ তথা খৰতকীয়া কৰিবলৈ ল'বলগীয়া পদক্ষেপ সম্পৰ্কত পৰ্যালোচনা কৰিবলৈ আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ আয়ুক্তৰ সভাকক্ষত আয়োজিত সভাত বিভাগৰ প্ৰধান সচিব ডাঃ জেবি এক্কাই এইদৰে কয়।

আয়ুক্তালয়ৰ সমূহ বিষয়াৰ উপস্থিতিত আয়োজিত পৰ্যলোচনা সভাত বিভাগৰ অধীনত ৰূপায়িত হৈ থকা প্ৰতিখন আঁচনি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। আলোচনাকালত প্ৰতিখন আঁচনিৰ বাবে আয়ুক্তালয়ত থকা প্ৰতিটো শাখাৰ নিৰীক্ষণ ব্যৱস্থা পূৰ্বতকৈও অধিক শক্তিশালী কৰি তুলিবলৈ ল'বলগীয়া ব্যৱস্থা সম্পৰ্কত তেওঁ বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

এমজিএনৰেগাৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে জবকাৰ্ডধাৰীয়ে কাম বিচাৰি অহালৈ বাট চোৱাৰ পৰিবৰ্তে গাঁও পঞ্চায়তৰ পৰা তেওঁলোকক কাম দি কৰ্ম সংস্থান ল'বৰ বাবে আগগবাঢ়ি অহাত আগ্ৰহী কৰাৰ পদক্ষেপ ল'বলৈও প্ৰধান সচিবগৰাকীয়ে পৰামৰ্শ দিয়ে। আঁচনি অমুমোদনৰ ক্ষেত্ৰত যাতে বিলম্ব নহয় আৰু পঞ্চায়তৰ প্ৰতিটো ৱাৰ্ডতে যাতে আঁচনি গ্ৰহণ কৰে তাৰ বাবে গাঁও পঞ্চায়তসমূহলৈ নিৰ্দেশনা দিবলৈও তেওঁ আহ্বান জনায়। বিটিএডি এলেকাত নিৰ্বাচন আয়োগে কাম কৰিবলৈ অনুমতি দিয়াৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে এই অঞ্চলতো আঁচনিৰ কাম ক্ষীপ্ৰতাৰে আগবঢ়াব লাগিব। ইয়াৰ উপৰি বহিঃৰাজ্যৰ পৰা নিজ গাঁৱলৈ উভতি অহা শ্ৰমিকসকলৰ তথ্যৰ তালিকাখনৰ প্ৰস্তুতিও যথাসম্ভৱ সোনকালে সম্পূৰ্ণ কৰিবলৈ পৰামৰ্শ দিয়ে।

পিএমএৱাই-জিৰ হিতাধিকাৰীসকলে পাব লগা ৯৫ দিনৰ মজুৰি পোৱাটো সুনিশ্চিত কৰাৰ লগতে এই আঁচনিৰ অধীনৰ ভূমিহীন হিতাধিকাৰীসকলক ভূমি প্ৰদানৰ বিষয়টো সম্পৰ্কত সংশ্লিষ্ট জিলা উপায়ুক্তসকলৰ লগত নিৰৱচ্ছিন্নভাৱে যোগাযোগ অব্যাহত ৰাখিবলৈও তেওঁ পৰামৰ্শ দিয়ে।

চতুৰ্দশ বিত্তীয় আয়োগৰ বাকী থকা পুঁজি অহা তিনিমাহৰ ভিতৰত ব্যৱহাৰ কৰিবলৈ গাঁও পঞ্চায়তসমূহক ইতিমধ্যে দিয়া নিৰ্দেশনাৰ কথা দোহাৰি ডাঃ এক্কাই এই ক্ষেত্ৰত আঁচনি অনুমোদন সম্পৰ্কত তদাৰক কৰাৰ লগতে পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰ বাবে নীতি-নিৰ্দেৰ্শনা প্ৰস্তুত কৰিবলৈও পৰামৰ্শ দিয়ে যাতে পুঁজি লাভ কৰাৰ লগে লগে কাৰ্যব্যৱস্থা ল'ব পৰা যায়।

আজিৰ সভাত বিভাগৰ আয়ুক্ত হেমেন দাস আৰু অতিৰিক্ত আয়ুক্ত খগেশ্বৰ পেগুকে ধৰি আয়ুক্তালয়ৰ বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/৩০-০৫-২০২০*